অসম

কলেজৰ নামভর্তি মাচুল ৰেহাইৰ বাবে ₹108 কোটি অনুমোদন

নামভর্তি মাচুল ৰেহাইৰ বিপৰীতে কলেজসমূহক ₹108 কোটি দিয়াৰ সিদ্ধান্ত কেবিনেটে লৈছে বুলি মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই জনাইছে।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৫৯



(NewzNow)

মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই মঙলবাৰে জনাইছে যে, কলেজত নামভর্তি মাচুল ৰেহাই দিয়াৰ বাবে উচ্চশিক্ষা প্রতিষ্ঠানসমূহক ₹108 কোটি পুঁজি যোগান দিয়াৰ সিদ্ধান্ত কেবিনেটে লৈছে।

তেওঁৰ মতে, নির্দিষ্ট উপার্জনৰ সীমাৰ ভিতৰত থকা ছাত্র-ছাত্রীয়ে কলেজত নামভর্তিৰ সময়ত মাচুল দিব নালাগে। কিন্তু এই ৰেহাইৰ ফলত কলেজ-বিদ্যাপীঠৰ কাম-কাজত যাতে প্রভাৱ নপৰে, তাৰ বাবে চৰকাৰে পুঁজি দিয়ে।

এইবাৰৰ ₹108 কোটি পুঁজি পোনপটীয়াকৈ মহাবিদ্যালয়সমূহক যোগান ধৰা হ'ব বুলি মুখ্যমন্ত্রীয়ে কৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1892/assam-approves-rs-108-crore-college-fee-waiver